অসম আদিত্য

...্যা ৭৭ ■ ৮ চ'ত, ১৯৪৬ শক ■ শনিবাৰ, ২২ মাৰ্চ, ২০২৫ ■ Asom Aditya, Dibrugarh, Saturday, March 22, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা...

...াণী

...ংগ্ৰাম।
...জীৱনেই হ'ব
...খ্যাতৰ স'তে
...হস, মনোবল
..., সি তেওঁক
...শক্তি দিয়ে।
...য়ন বোনাপাৰ্ট

# অধ্যাপকক গৱেষণাৰ প্ৰতি আগ্ৰহী হোৱাৰ আহ্বান নাৰায়ণ কোঁৱৰৰ



**ডিব্ৰুগড়, ২১ মাৰ্চ ঃ** অধ্যাপক-অধ্যাপিকাসকল গৱেষণা কৰ্মৰ প্ৰতি অধিক আগ্ৰহী হওক।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ আজি উপস্থিত হৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলক উদ্দেশ্যি এইদৰে কয়। সচিব কোঁৱৰে কয়— ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মধুৰ সম্পৰ্কৰ মাজেৰে আগবাঢ়ি গ'লেহে শিক্ষাৰ্থীসকলে উপযুক্ত শিক্ষা লাভ কৰি ভৱিষ্যতে একোগৰাকী সু-নাগৰিক হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰে। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজৰ মধুৰ সম্পৰ্কই শিক্ষাৰ ক্ষেত্ৰখনত উৎকৰ্ষ সাধন কৰাত সহায় কৰে। মহাবিদ্যালয়ৰ অধ্যাপিকা ড০ মৰমী তালুকদাৰে আঁত ধৰা সভাখনিত কোঁৱৰে কয়— অধ্যাপক-অধ্যাপিকাসকলে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন সমস্যাৰ বুজ লৈ তাক সমাধান কৰাৰ ব্যৱস্থা কৰা উচিত। ছাত্ৰ-ছাত্ৰীসকলক চৰকাৰে প্ৰদান কৰা চৰকাৰী বিভিন্ন আঁচনি যেনে নিযুত মইনা, বিনামূলীয়া নামভৰ্তি আদি আঁচনিসমূহ কিমান দূৰ ফলপ্ৰসূ হৈছে বা ছাত্ৰ-ছাত্ৰীসকলক সেইসমূহৰ প্ৰয়োজন আছেনে নাই তাৰো এক সমীক্ষা কৰা প্ৰয়োজন। মহাবিদ্যালয়ৰ মুখ্য দ্বাৰৰ পৰা এন চি চিৰ কেডেটে উষ্ম আদৰণি জনাই অনা সভাখনিত তেওঁ কয়— বৰ্তমান সময়ৰ লগত খাপ খুৱাই ছাত্ৰ-ছাত্ৰীসকল কৰ্মমুখী হ'ব পৰাকৈ উচ্চ শিক্ষাত বিভিন্ন পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা প্ৰয়োজন। যিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশত সহায় কৰিব পাৰে। উচ্চ শিক্ষা বিভাগৰ পদোন্নতি, নিযুক্তিকে ধৰি সকলোধৰণৰ কাম বৰ্তমান 'মেনুৱেল' মাধ্যমৰ পৰা 'অনলাইন' মাধ্যমত কৰাৰ ব্যৱস্থা কৰি থকা হৈছে, যিয়ে এই ব্যৱস্থাটোত থকা আসোঁৱাহসমূহ আঁতৰ কৰাত সুবিধা কৰিব। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত সচিবগৰাকীয়ে অধ্যাপক-অধ্যাপিকাসকলৰ বিভিন্ন সমস্যাৰ বুজ লোৱাৰ লগতে মহাবিদ্যালয়খনৰ সমস্যাসমূহৰ বুজ লয় আৰু অধ্যাপক-অধ্যাপিকাসকলৰ লগত এক মতবিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে সচিবগৰাকীয়ে মহাবিদ্যালয়ত ৰুছাৰ-২.০ শিতানত নিৰ্মাণ হোৱা ছাত্ৰীনিৱাস, প্ৰস্ৰাৱাগাৰ, নৃতত্ত্ব বিভাগৰ পৰীক্ষাগাৰ আদি পৰিদৰ্শন কৰে। গাম্ভীৰ্যপূৰ্ণ সভাখনিত মহাবিদ্যালয়ৰ পৰীক্ষাসমূহৰ সমন্বয়ক ড০ মৃদুল শৰ্মা, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, ৰুছাৰ সমন্বয়ক ড০ পৰাগজ্যোতি চুতীয়া, শৈক্ষিক সমন্বয়ক ড০ উত্তম মহন, অধ্যাপক অভিজিত বৰুৱা, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড০ জ্যোতিপ্ৰসাদ ফুকন, অধ্যাপক ড০ বিৰাজ দত্ত, মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদক ড০ মনমী বৰুৱাকে ধৰি সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী উপস্থিত থাকে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানতে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰক মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ফুলাম গামোচা, চেলেং চাদৰ, কিতাপৰ টোপোলা, সম্বৰ্ধনা-পত্ৰৰে সম্ভাষণ জনায় আৰু অনুষ্ঠানৰ স্মৃতি বিজড়িত স্থিৰ চিত্ৰৰে বিদায়-সম্ভাষণ জ্ঞাপন কৰে।